# NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-01-2025
**Time :** 13-40Hrs

***Assamese Midday Bulletin***
**:::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইস্থিত নৌসেনা বাহিনীৰ পোতাশ্ৰয়ত ৩ খন আগশাৰীৰ জাহাজ ক্ৰমে আই এন এছ্ চুৰাট, আই এন এছ্ নীলগিৰি আৰু আই এন এছ্ ৱাঘশিৰক নৌসেনা বাহিনীত অন্তৰ্ভুক্ত কৰে।

২। সশস্ত্ৰ বাহিনীসমূহে দেশৰ বাবে কৰা সৰ্বোচ্চ ত্যাগ দেশৰ বাবে কৰা সৰ্বোচ্চ ত্যাগক সন্মান জনোৱাৰ উদ্দেশ্যে আজি দেশজুৰি  স্থল সেনা দিৱস পালন কৰা হৈছে।

৩। মহাকুম্ভ ২০২৫ ভাৰতৰ সৰ্ববৃহৎ আধ্যাত্মিক সমাবেশ হিচাপে পৰিচিত হোৱাই নহয় বৰঞ্চ লাখ লাখ ভক্তৰ অংশগ্ৰহণেৰে সমগ্ৰ বিশ্বৰ বাবে এটা সাংস্কৃতিক কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে।

৪। জম্মু কাশ্মীৰৰ ৰাজৌৰী জিলাত যোৱা ২৪ ঘণ্টাত অচিন ৰোগত পৰি আৰু দুজন লোকে প্ৰাণ হেৰুৱায়। ***আৰু***

৫। ভাৰতীয় মহিলা খো খো দল আজি বিশ্বকাপ খো খোৰ এখন খেলত ইৰাণৰ বিৰুদ্ধে অৱতীৰ্ণ  হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইস্থিত নৌসেনা বাহিনীৰ পোতাশ্ৰয়ত ৩ খন আগশাৰীৰ জাহাজ ক্ৰমে আই এন এছ্ চুৰাট, আই এন এছ্ নীলগিৰি আৰু আই এন এছ্ ৱাঘশিৰক নৌসেনা বাহিনীত অন্তৰ্ভুক্ত কৰে। এই জাহাজকেইখনৰ অন্তৰ্ভুক্তিয়ে দেশৰ প্ৰতিৰক্ষা বাহিনীসমূহক শক্তিশালী কৰি তুলিব আৰু আত্মনিৰ্ভৰ ভাৰত উদ্যমক গতি প্ৰদান কৰিব। যুদ্ধ জাহাজ তিনিখন প্ৰতিৰক্ষা নিৰ্মাণ আৰু সামুদ্ৰিক সুৰক্ষাৰ ক্ষেত্ৰত বিশ্ব নেতৃত্বৰূপে পৰিগণিত হোৱাৰ দেশৰ সপোন বাস্তৱায়িত কৰাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে বিবেচিত হৈছে।

নীলগিৰি নামৰ জাহাজখন সহজে ৰাডাৰৰ নিৰীক্ষণৰ আওতালৈ নাহে। একেদৰে অত্যাধুনিক সা-সুবিধাৰে সুসজ্জিত চুৰাট নামৰ যুদ্ধ জাহাজখন আৰ্হি আৰু সামৰ্থৰ দিশৰ পৰা চকুত লগা ধৰণে উন্নত। অত্যাধুনিক বিমান পৰিবহন সুবিধাৰে সুসজ্জিত নীলগিৰি আৰু চুৰাট জাহাজ দুখনৰ দিন আৰু নিশাৰ ভাগত অভিযান চলাবৰ বাবে বিভিন্ন ধৰণৰ হেলিকপ্টাৰ সঞ্চালনৰ সুবিধা আছে। ৱাঘছি জাহাজখন বিশ্বৰ বহুমুখী ডিজেল-বিদ্যুৎ চাবমেৰিণসমূহৰ ভিতৰত অন্যতম।

০০০০০০

সশস্ত্ৰ বাহিনীসমূহে দেশৰ বাবে কৰা সৰ্বোচ্চ ত্যাগক সন্মান জনোৱাৰ উদ্দেশ্যে আজি দেশজুৰি  স্থল সেনা দিৱস পালন কৰা হৈছে। এই দিনটোৰ উদযাপনে ভাৰতীয় সেনা বাহিনীৰ অসীম সাহস, দেশৰ প্ৰতি কৰ্তব্যনিষ্ঠা আৰু মাতৃভূমিৰ প্ৰতি সেৱাৰ মনোভাৱকে প্ৰতিফলিত কৰে। ১৯৪৯ চনত অন্তিম গৰাকী ব্ৰিটিছ সেনাৰ মুৰব্বীৰ পৰা ভাৰতীয় সেনাৰ তেতিয়াৰ জেনেৰেল কে এম কৰিয়াপ্পাই দায়িত্বভাৰ গ্ৰহণ কৰি ভাৰতীয় স্থল সেনা বাহিনীৰ প্ৰথমগৰাকী মুৰব্বী হিচাপে পৰিগণিত হোৱা দিনটোৰ সোঁৱৰণত আজি এই দিৱস পালন কৰা হয়।  এই উপলক্ষে

ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে ভাৰতীয় সেনা বাহিনীৰ বিষয়া-জোৱানসকলৰ লগতে তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে স্থল সেনা দিৱস উফলক্ষে দিয়া এটা বাৰ্তাত দেশৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সেনাবাহিনীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আলোকপাত কৰিছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে সৈনিকসকলে প্ৰগতি আৰু সমৃদ্ধিৰ উদ্দেশ্য দেশত এটা শান্তিপূৰ্ণ বাতাবৰণ গঢ়ি তোলাৰ বাবে অৱদান আগবঢ়াই আহিছে। সৈনিকসকলৰ সাহসৰ প্ৰশংসা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে তেওঁলোকে দেশৰ সীমান্তৰ সুৰক্ষাৰ বাবে অবিৰতভাৱে অসাধাৰণ বীৰত্ব আৰু উচ্চ পেচাদাৰিত্বৰ পৰিচয় দি আহিছে। ৰাষ্ট্ৰই মাতৃভূমিৰ সেৱাত তেওঁলোকে আগবঢ়োৱা অগণন বলিদানৰ কথা সদায়ে কৃতজ্ঞতাৰে স্মৰণ কৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বাৰ্তাত কয়, যে বিভিন্ন সংস্কাৰ আৰু আধুনিকীকৰণৰ মাধ্যমেৰে সশস্ত্ৰ বাহিনী আৰু তেঁওলোকৰ পৰিয়ালৰ কল্যাণৰ প্ৰতি চৰকাৰ বদ্ধপৰিকৰ। সৈনিকসকলে সদায় দেশৰ সুৰক্ষা প্ৰহৰী হিচাপে থিয় দি আহিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতীয় সেনা দৃঢ়তা, পেচাদাৰিত্ব আৰু নিষ্ঠাৰ প্ৰতীকস্বৰূপ। তেওঁ কয়, যে সৈনিকসকলে প্ৰাকৃতিক বিপৰ্যয়ৰ সময়ত মানৱীয় সাহায্য আগবঢ়োৱাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে অদম্য সাহস আৰু কৰ্তব্যনিষ্ঠাৰ নিদৰ্শনেৰে ভাৰতীয় সেনা বাহিনী বিশ্বৰ অন্যতম শ্ৰেষ্ঠ সেনা বাহিনীৰূপে পৰিগণিত হৈছে। ভাৰতীয় সেনা জোৱানসকলে অত্যন্ত প্ৰতিকূল পৰিস্থিতিতো নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে বুলি মন্তব্য কৰে। তেওঁ লগতে দেশৰ বাবে জীৱন উৎসৰ্গা কৰা সেনা জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০০

Chief of Defence staff জেনেৰেল অনিল চৌহানে ৭৭ সংখ্যক স্থলসেনা দিৱস উপলক্ষে সেনা বাহিনীৰ সকলো বিষয়া জোৱানলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুৰববীগৰাকীয়ে এটা বৰ্তাত কয়, যে এই দিনটোৱে সেনা বাহিনীৰ অদম্য সাহস, কৰ্তব্য নিষ্ঠা আৰু পেচাদাৰিত্বক উদ্‌যাপন কৰে। তেওঁ লগতে কয়, যে দেশৰ নিৰাপত্তা আৰু একতাৰ ক্ষেত্ৰত সেনা বাহিনী মূল আধাৰ হিচাপে থিয় দি আহিছে। বৰ্তমান সময়ত যুদ্ধৰ পৰিৱৰ্তিত প্ৰেক্ষাপট আৰু প্ৰযুক্তিৰ বৰ্ধিত ব্যৱহাৰত আলোকপাত কৰি জেনেৰেল চৌহানে কয়, যে উন্নত প্ৰযুক্তি আৰু ভূ-ৰাজনৈতিক ব্যৱস্থাৰ সাল সলনিৰ ফলস্বৰূপে আধুনিক যুদ্ধৰ শৈলী দ্ৰুতগতিত বৃদ্ধি পাইছে। এই ক্ষেত্ৰত আনতকৈ আগবাঢ়ি থাকিবৰ বাবে সেনা বাহিনীয়ে ইয়াৰ ৰণনীতি আৰু যুদ্ধ কৌশলৰ ক্ষেত্ৰত প্ৰযুক্তিগতভাৱে শক্তিশালী হব লাগিব বুলি শ্ৰীচৌহানে প্ৰকাশ কৰে।

০০০০০০

কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনীয়া গান্ধীয়ে আজি নতুন দিল্লীত দলৰ নতুন মুখ্য কাৰ্যালয় ইন্দিৰা ভৱন উদ্বোধন কৰে। অনুষ্ঠানত লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, সাংসদ প্ৰিয়ংকা গান্ধী ভাদ্ৰা, দলৰ মুখ্য সচিব কে চি বেণুগোপালকে ধৰি অন্য শীৰ্ষ নেতাসকল উপস্থিত থাকে।

অনুষ্ঠানত দিয়া ভাষণত শ্ৰীখাৰ্গে কয়, যে গণতন্ত্ৰ, জাতীয়তাবাদ, ধৰ্মনিৰপেক্ষতা, সামগ্ৰীক বিকাশ আৰু সামাজিক ন্যায়ৰ আদৰ্শৰে এই নতুন ভৱনটো নিৰ্মাণ কৰা হৈছে। দলৰ এই নতুন মুখ্য কাৰ্যালয়ে ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৪০ বছৰীয়া গৌৰৱময় ইতিহাসক চিহ্নিত কৰিছে বুলি সভাপতিগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

মহাকুম্ভ ২০২৫ ভাৰতৰ সৰ্ববৃহৎ আধ্যাত্মিক সমাবেশ হিচাপে পৰিচিত হোৱাই নহয় বৰঞ্চ লাখ লাখ ভক্তৰ অংশগ্ৰহণেৰে সমগ্ৰ বিশ্বৰ বাবে এটা সাংস্কৃতিক কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে। প্ৰয়াগৰাজৰ পৰা আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি এই বছৰ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা মহাকুম্ভৰ গুৰুত্ব আৰু পৰম্পৰা সন্দৰ্ভত অগণন লোকে তথ্য বিচাৰিছে। বিশ্ববাসীৰ এই অনুসন্ধিৎসা  দূৰ কৰাৰ বাবে চৰকাৰে মহাকুম্ভ ২০২৫ ত ডিজিটেল মহাকুম্ভ হিচাপে বিবেচিত কৰি kumbha.gov.in শীৰ্ষক এটা ৱেৱছাইট মুকলি কৰিছে। এই ৱেৱছাইটৰ জৰিয়তে ভক্ত আৰু পৰ্যটকসকলে মহাকুম্ভৰ পৰম্পৰা আৰু গুৰুত্বৰ পৰা আৰম্ভ কৰি যাতায়াত আৰু থকা মেলাৰ সকলো তথ্য লাভ কৰিব পাৰিব। এই বাৰৰ মহাকুম্ভলৈ ১৫ লাখতকৈ অধিক বিদেশী পৰ্যটকৰ আগমন ঘটিব বুলি আশা কৰা হৈছে।

০০০০০০

জম্মু কাশ্মীৰৰ ৰাজৌৰী জিলাৰ বুদ্ধল তেহচিলৰ বধাল গাঁৱত যোৱা ২৪ ঘণ্টাত অচিন ৰোগত পৰি আৰু দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ যোৱা ডিচেম্বৰৰ পৰা অঞ্চলটোত এনে ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা ১৪ লৈ বৃদ্ধি পালে। জম্মু কাশ্মীৰৰ মুখ্য সচিব অটল দুল্লুই কালি মৃত্যুৰ কাৰণ সম্পৰ্কে চালি জাৰি চোৱাৰ বাবে স্বাস্থ্য বিশেষজ্ঞ আৰু ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ বিষয়ববীয়াৰ সৈতে হোৱা এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত ৰাজীৱ গান্ধী চিকিৎসা শিক্ষা আৰু গৱেষণাৰ স্নাতকোত্তৰ প্ৰতিষ্ঠান, ৰাষ্ট্ৰীয় বিষাণু গৱেষণা প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰৰ বিশেষজ্ঞসকলক মৃত লোকসকলৰ নমুনাত সংক্ৰমনৰ লক্ষণ নাই যদিও নিউৰোটক্সিনৰ অৱস্থিতি ধৰা পৰা বুলি জানিবলৈ দিয়ে। যোৱা মাহৰ পৰা হোৱা মৃত্যুক লৈ অঞ্চলটোত শংকাৰ সৃষ্টি হৈছে যদিও এতিয়ালৈকে মৃত্যুৰ কাৰণ স্পষ্ট হোৱা নাই।

০০০০০০

আন্তৰ্জাতিক বিমানযাত্ৰীসকলৰ ইমিগ্ৰেশ্বন ব্যৱস্থা সূচল আৰু নিৰাপদ কৰাৰ উদ্দেশ্যে প্ৰৱৰ্তন কৰা দ্ৰুত ইমিগ্ৰেছন আস্থাভাজন ভ্ৰমণ ব্যৱস্থা কাইলৈ গৃহমন্ত্ৰী অমিত শ্বাহে মুম্বাই, চেন্নাই, কলকাতা, বাংগালুৰু, হায়দৰাবাদ, কোচিন আৰু আহমেদাবাদ বিমানবন্দৰত মুকলি কৰিব।

গৃহমন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই সুবিধা গ্ৰহণ কৰিবলৈ বিচৰা বিমান যাত্ৰীসকলে তেওঁলোকৰ আবেদন আৰু সংশ্লিষ্ট নথিপত্ৰ  গৃহ মন্ত্ৰালয়ৰ পোৰ্টেলত আপলোড কৰিব লাগিব। তেওঁলোকৰ বায়'মেট্ৰিক ডাটা সংশ্লিষ্ট  বিমান বন্দৰৰ আঞ্চলিক বিদেশী পঞ্জীয়ন  কাৰ্যালয়ত সংগ্ৰহ কৰা হ'ব আৰু তেওঁ লোকে বিমানৰ বোৰ্ডিং পাছ স্কেন কৰোৱাৰ প্ৰয়োজন নহ'ব। এই ব্যৱস্থা অতি সোণকালে গুৱাহাটীকে ধৰি দেশৰ ২১ টা প্ৰধান বিমান বন্দৰত প্ৰৱৰ্তন কৰা হ'ব।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰো চাঞ্চেজক সাক্ষাৎ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে স্পেইনলৈ যোৱা বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয়, যে তেওঁলোকে আলোচনাকালত স্পেইনৰ ৰাষ্ট্ৰপতিৰ সফল ভাৰত ভ্ৰমণৰ কথা স্মৰণ কৰে আৰু দেশ দুখনৰ মাজৰ পুৰণি সহযোগিতাৰ বিষয়ে উল্লেখ কৰে। ড০ জয়শংকৰে লগতে স্পেইনৰ ৰাষ্ট্ৰপতিগৰাকীক মাড্ৰিদত হোৱা আলোচনা আৰু দুয়োখন ৰাষ্ট্ৰৰ মাজৰ দ্বিপাক্ষিক কাৰ্যসূচীৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰে।

০০০০০০

ভাৰতীয় মহিলা খো খো দল আজি বিয়লি দিল্লীৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত হ'বলগীয়া বিশ্বকাপ খো খোৰ এখন খেলত ইৰাণৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে ভাৰতীয় পুৰুষ দলটো আজি নিশা পেৰুৰ সন্মুখীন হ'ব। খেলখন আঠ বাজি পোন্ধৰ মিনিটত আৰম্ভ হ'ব।

০০০০০০

গুজৰাটৰ ৰাজকোটত চলি থকা আয়াৰলেণ্ডৰ বিৰুদ্ধে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ অন্তিমখন খেলত ভাৰতে টছ্‌ত জিকি প্ৰথমে বেট ধৰি আমালৈ বাতৰি অহাৰ পৰলৈকে .৩৭ অভাৰত এটা উইকেট হেৰুৱাই ৩২১ৰাণ সংগ্ৰহ কৰিছে। ভাৰতীয় দলৰ অধিনায়ক স্মৃতি মান্ধানাই ৮০ টা বলত ১৩৫ ৰাণ কৰি আউট হয়। আয়াৰলেণ্ডৰ হৈ অৰলা প্ৰেন্দাৰগাষ্টে প্ৰথমটো উইকেট দখল কৰে।

০০০০০০

ঃঃ সমাপ্ত ঃঃ